# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 05-08-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*
## Headlines
------------------

ভাৰতৰত্ন সন্মানেৰে বিভূষিত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পূণ্যতিথি আজি ৰাজ্যজুৰি লোককল্যাণ দিৱস হিচাপে পালন কৰা হৈছে। ২০২২ বৰ্ষৰ পৰা ৰাজ্য চৰকাৰৰ উদ্যোগত এই দিনটো লোককল্যাণ দিৱস হিচাপে পালন কৰি অহা হৈছে। এই উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত অৰাজপত্ৰিত কৰ্মচাৰীসকলৰ উৎকৃষ্ট সেৱাৰ বাবে ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ লগতে ভালেসংখ্যক বিষয়ালৈ প্ৰশাসন ব্যৱস্থাত দেখুওৱা পাৰদৰ্শিতাৰ বাবে কৰ্মশ্ৰী বঁটাও আগবঢ়োৱা হয়। চলিত বছৰত ৬৯ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক আৰু জিলা পৰ্যায়ৰ লোকসেৱা বঁটাসমূহ আগবঢ়োৱা হয়। ৰাজ্যিক পৰ্যায়ত অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগৰ দলপতি অংকুৰ নাৰায়ণ দাস, মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ মাল্টি টাস্কিং ষ্টাফ বীৰ বাহাদুৰ ৰায়, ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ জ্যেষ্ঠ সহায়ক চিন্ময় বৰা, বিত্ত বিভাগৰ সহকাৰী শাখা বিষয়া দ্বীপজ্যোতি বনিয়াকে ধৰি ১০ গৰাকী কৰ্মচাৰীলৈ ৰাজ্যিক পৰ্যায়ৰ লোকসেৱা বঁটা আগবঢ়োৱা হৈছে। একেদৰে ৫৯ গৰাকী কৰ্মচাৰীলৈ জিলা পৰ্যায়ৰ লোকসেৱা পুৰস্কাৰ আগবঢ়োৱা হৈছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত লোককল্যাণ দিৱসৰ অনুষ্ঠানত মন্ত্ৰী ৰণজিত কুমাৰ দাসে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বঁটাসমূহ প্ৰদান কৰে।

ৰাজ্যৰ বিভিন্ন জিলাত আয়োজন কৰা লোককল্যাণ দিৱসৰ কাৰ্যসূচীত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, নন্দিতা গাৰ্লোচা, মুখ্য সচিব ৰবি কোটা, আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মন্ত্ৰী ৰণজিত কুমাৰ দাসে ইয়াৰ পাছত গুৱাহাটীৰ শিলপুখুৰীত থকা গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তিত পুস্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে৷ অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়াকে ধৰি ভালে কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাও অনুষ্ঠিত কৰা হয়৷ গোৱালপাৰা জিলা প্ৰশাসনেও আজি গোৱালপাৰাৰ নটসূৰ্য ফণী শৰ্মা ভৱনত এই উপলক্ষে কাৰ্যসূচী ৰূপায়ণ কৰা হয়। একেদৰে তামুলপুৰতো লোক কল্যাণ দিৱস পালন কৰি আধুনিক অসমৰ খনিকৰ হিচাপে স্বীকৃত ভাৰতৰত্ন সন্মানেৰে বিভূষিত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭৫ সংখ্যক মৃত্যু দিৱস পালন কৰা হয়।

oooooooo

বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে বিজেপিকে ধৰি ৰাজনৈতিক দলসমূহে তৎপৰতা অব্যাহত ৰাখিছে। নিৰ্বাচনৰ দিন আনুষ্ঠানিকভাৱে ঘোষণা কৰা হোৱা নাই যদিও সম্প্ৰতি শাসক-বিৰোধী দলসমূহে প্ৰচাৰ অভিযান চলাই আছে। ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাঙৰ দুখন দলীয় কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই চিৰাঙৰ চুবাইঝাৰ আৰু থুৰিবাৰী পৰিষদীয় সমষ্টিভিত্তিত বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত

প্ৰথমখন সন্মিলনত অংশগ্ৰহণ কৰে। আনহাতে মানাস ছেৰফাং পৰিষদীয় সমষ্টিভিত্তিত তেওঁ পাণবাৰী উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত দ্বিতীয়খন সভাত অংশ লয়। বিজেপিয়ে নিজাকৈ বি টি চি পৰিষদীয় নিৰ্বাচনত প্ৰাৰ্থী দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন স্থানত সভা অনুষ্ঠিত কৰি বিজেপিৰ হৈ প্ৰচাৰ চলাই আছে। হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফে কালি ২২ টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। কোকৰাঝাৰৰ দেৱৰগাঁও সমষ্টিত হাগ্ৰামা মহিলাৰীয়ে নিজে প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা কৰিছে।

০০০০০০০০

আজি আলাবৈ ৰণৰ স্মৃতি দিৱস উপলক্ষে কামৰূপ জিলাৰ আমিনগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত থকা আলাবৈ ৰণ স্মৃতি সৌধৰ সন্মুখত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত ৰাজ্যৰ বন পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, যোগেন মহনৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। এই উপলক্ষে স্মৃতি তৰ্পণৰ পাছত এখন সভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ উদ্যোগত, কামৰূপ জিলা প্ৰশাসন আৰু শৰাইঘাট জাৰ্নেলিষ্ট ফ'ৰামৰ সহযোগত দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা আলাবৈ পাহাৰ দাঁতিত পতাকা উত্তোলন আৰু আলাবৈ ৰণৰ ১০ হাজাৰ ছহিদৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হয়। ইপিনে, আজি সন্ধিয়া ঐতিহাসিক আলাবৈ ৰণস্মৃতি যুগমীয়া কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰায় ১৫৫ কোটি টকা ব্যায় সাপেক্ষে নিৰ্মাণ কৰা স্মতি সৌধ প্ৰকল্পৰ সমীপত আলাবৈ ৰণৰ ছহিদসকলৰ স্মৃতিত ১০ হাজাৰ বন্তি প্ৰজ্বলন কৰা হব।

উল্লেখযোগ্য যে ১৬৬৯ চনৰ আজিৰ দিনটোতে আহোম আৰু মোগল সেনাৰ মাজত উত্তৰ গুৱাহাটীৰ সমীপৰ আলাবৈত এই যুদ্ধ সংঘটিত হৈছিল। ইতিহাসৰ পাতত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত আলাবৈৰ ৰণত অসমৰ ১০ হাজাৰ সেনাই মৃত্যুবৰণ কৰিবলগীয়া হৈছিল। অসমীয়া সেনাৰ বীৰত্ব আৰু ত্যাগক সোঁৱৰণ কৰি প্ৰতিবছৰে আজিৰ এই দিনটোতে আলাবৈ ৰণ স্মৃতি দিৱস পালন কৰি অহা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাহস আৰু দেশভক্তিৰ অনুপম নিদৰ্শনেৰে মোগলৰ বিৰুদ্ধে অসীম সাহসেৰে যুঁজ দি প্ৰাণ আহুতি দিয়া অসমৰ বীৰ আহোম সৈন্যসকলৰ পৱিত্ৰ স্মৃতিত নিৰ্মাণ কৰা আলাবৈ ৰণ স্মৃতি ক্ষেত্ৰই অসমীয়া সৈন্যৰ আত্মত্যাগ আৰু বীৰত্বৰ গাথাঁক চিৰস্মৰণীয় কৰি ৰাখিব বুলি সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰে।

০০০০০০০০

সমাপ্ত